
WEST GUWAHATI COLLEGE OF EDUCATION
विद्यया अमृतम् अश्नुते
1992

# প্ৰবাহিকা





# সম্পাদকীয়...

সাহিত্য হ'ল সমাজৰ দাপোণ। সাহিত্যই মানুহৰ মনন আৰু সৃজনশীলতাক এক নতুন মাত্ৰা প্ৰদান কৰে। এখন শিক্ষানুষ্ঠানৰ পৰা প্ৰকাশ পোৱা এখন আলোচনীয়ে কেৱল ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভাকে প্ৰকাশ নকৰে, বৰঞ্চ ই তেওঁলোকৰ বৌদ্ধিক বিকাশৰ এক দলিল হিচাপেও চিহ্নিত হয়।

আমাৰ 'ৱেষ্ট গুৱাহাটী কলেজ অৱ এডুকেশ্যন' কেৱল এখন মহাবিদ্যালয় নহয়, ই হ'ল ভৱিষ্যতৰ সমাজ গঢ়োঁতা শিক্ষকসকলৰ এক প্ৰশিক্ষণ কেন্দ্ৰ। শিক্ষক এজন কেৱল এজন জ্ঞানদাতা নহয়, তেওঁ হ'ল এজন শিল্পী - যিয়ে নিজৰ আদৰ্শৰে শিক্ষাৰ্থীৰ জীৱন গঢ়ি তোলে।

ক্ষুদ্ৰ হাতে লিখা আলোচনী 'প্ৰৱাহিকা' আজি আপোনালোকৰ হাতত তুলি দি মই অতিশয় আনন্দিত। আলোচনীখন আমাৰ শিক্ষাৰ্থীসকলৰ সুপ্ত প্ৰতিভা আৰু মহাবিদ্যালয়খনৰ শৈক্ষিক ধাৰাৰ এক সঁচা প্ৰতিফলন। ইয়াক সজাই তোলাত আমাৰ সহপাঠীসকলে যি সহায় আগবঢ়ালে তাৰ বাবে মই সকলোৰে ওচৰত কৃতজ্ঞ। আশা কৰোঁ, 'প্ৰৱাহিকা'য়ে আপোনালোকৰ মনত এক বিশেষ স্থান লাভ কৰিব। অজানিতে হোৱা ভুল-ত্ৰুটিসমূহৰ বাবে মই ক্ষমা প্ৰাৰ্থী।

— হৃতিস্মিতা কলিতা
সম্পাদিকা, প্ৰৱাহিকা
ৱেষ্ট গুৱাহাটী কলেজ অৱ এডুকেশ্যন

# সম্পাদনা সমিতি

- তত্বাৱধায়ক : কাশ্মীৰী দাস
- বেটুপাত : ধৃতিস্মিতা কলিতা, সুজাতা ইংতি
- ৰূপাংকণ : ধৃতিস্মিতা কলিতা সুজাতা ইংতি
- অক্ষৰ কলা : ধৃতিস্মিতা কলিতা, সুজাতা ইংতি, কৰিশ্মা মণ্ডল
- সদস্যসকল : ধৃতিস্মিতা কলিতা, সুজাতা ইংতি, কৰিশ্মা মণ্ডল, কৰবী মণ্ডল, শিৱানী দুৱৰা, ধনৰাজ চুংক্ৰাং

# কৃতজ্ঞতা

'প্ৰৱাহিকা' হাতেলিখা আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত শিক্ষকবৃন্দৰ লগতে মোৰ যিসকল সহপাঠীয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায়-সহযোগিতা আগবঢ়াইছে তেওঁলোকক মই এই সুযোগতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

পোন প্ৰথমতে, আমাৰ শিক্ষয়িত্ৰী কাশ্মীৰী দাস বাইদেউক তেখেতৰ মূল্যৱান দিহা-পৰামৰ্শৰে আমাক উৎসাহ-উদ্দীপনা আগবঢ়াই এই পত্ৰিকাখন সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সহায় কৰাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ইয়াৰ লগতে আমাৰ সহপাঠীসকল যিয়ে নিজৰে সৃষ্টিৰে এই 'প্ৰৱাহিকা' হাতেলিখা আলোচনীখন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াইছে তেওঁলোকলৈও আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

শেষত, যিসকল ব্যক্তিয়ে এই ক্ষুদ্ৰ হাতেলিখা আলোচনীখন সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সহায় কৰিছে তেওঁলোকলৈও আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।


# সূচীপত্ৰ


| ৰচনা | লেখক | পৃষ্ঠা |
|---|---|---|
| অবিৰল যাত্ৰা | সুজাতা ইংতি | ১ |
| অসমীয়া আলোচনীৰ ইতিহাস | ধৃতিস্মিতা কলিতা | ২-৪ |
| উত্তৰবিহীন প্ৰশ্ন | শিৱানী ভূঞা | ৫ |
| পাগলী | ধৃতিস্মিতা কলিতা | ৬-৭ |
| অসমীয়া ভাষা আৰু সাহিত্য | কৰিশ্মা কাকলি মড়ল | ৮ |
| সাঁথৰ | সুজয়তা ইংতি | ৯ |
| শিক্ষক | শিৱানী ভূঞা | ১০ |
| হৃদয়ৰ অব্যক্ত কথা | ধনৰাজ চুংক্ৰাং | ১১-১৩ |
| ভ্ৰমণ কাহিনী | কৰবী মড়ল | ১৪-১৫ |

| ৰচনা | লেখক | পৃষ্ঠা |
| --- | --- | --- |
| • একবিংশ শতিকা | ধনৰাজ চুংক্ৰাং | ১৬ |
| • প্ৰকৃতিৰ কবি 'Willam wordsworth'ৰ জীৱন আৰু সাহিত্য | কৰবী মণ্ডল | ১৭-১৮ |
| • মহৎ লোকৰ বাণী | কৰবী মণ্ডল | ১৯ |



# অবিৰল যাত্ৰা



অবিৰল, অবিৰাম...
জীৱনৰ অৰ্থ হৈছে গতি,
পাহাৰৰ পৰা নামি অহা
এখন নিৰ্মল নদী।

নৰয় ক'তো, নৰয় কোনোবা ঘাটত,
কেৱল প্ৰৱাহ, কেৱল ধাৰা...
চুই যায় প্ৰাণ, ধুই নিয়ে বিষাদ,
জীৱনৰ যাত্ৰা - প্ৰৱাহিকা ধাৰা।

কেতিয়াবা শান্ত, কেতিয়াবা কল্লোল,
পাথৰ ফালি আগুৱাই,
সুখ-দুখৰ সংমিশ্ৰণেৰে
নিৰন্তৰ বৈ যায়।



প্ৰৱাহিকা - চিৰ প্ৰৱাহ,
নিৰাশাক কৰে পৰাজয়,
জীৱনৰ নামেই প্ৰৱাহিকা,
আগবাঢ়ি যোৱাই পৰিচয়।

~ সুজাতা ইংতি

# অসমীয়া আলোচনীৰ ইতিহাস

অসমীয়া আলোচনীৰ ইতিহাস ১৮৪৬ চনত খ্ৰীষ্টান মিছনেৰীসকলৰ দ্বাৰা প্ৰকাশিত 'অৰুণোদই'-ৰ পৰা আৰম্ভ হয়, যি অসমীয়া ভাষা-সাহিত্যৰ ভেটি স্থাপন কৰিছিল। পৰৱৰ্তী সময়ত 'জোনাকী' (১৮৮৯) যুগে ভাষাৰ আধুনিকীকৰণ কৰে। 'ৰামধেনু'ৰ জৰিয়তে আধুনিক সাহিত্য আৰু বৰ্তমান ই-আলোচনীৰ (যেনে- সঁফুৰা, অন্যযুগ) জৰিয়তে ডিজিটেল মাধ্যমত অসমীয়া সাহিত্যই নতুন গতি লাভ কৰিছে।

১৮৪৬ চনত শিৱসাগৰৰ পৰা নাথান ব্ৰাউনৰ সম্পাদনাত প্ৰকাশিত 'অৰুণোদই' আছিল অসমৰ প্ৰথম আলোচনী। ইয়াৰ মূল উদ্দেশ্য আছিল ধৰ্ম প্ৰচাৰৰ লগতে জ্ঞান বিতৰণ। ব্ৰিটিছ শাসনত স্কুল-কাৰ্যালয়ত বঙালী ভাষা প্ৰচলন হোৱাৰ সময়ত 'অৰুণোদই'য়ে অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষা কৰিছিল। ইয়াত ধৰ্মৰ বাহিৰেও বিজ্ঞান, ইতিহাস আৰু বিশ্বৰ বাতৰি পৰিৱেশন কৰা হৈছিল। ব্ৰিটিছ শাসনত স্কুল-কাৰ্যালয়ত বঙালী ভাষা প্ৰচলন হোৱাৰ সময়ত 'অৰুণোদই'য়ে অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষা কৰিছিল। ইয়াত ধৰ্মৰ বাহিৰেও বিজ্ঞান, ইতিহাস আৰু বিশ্বৰ বাতৰি পৰিৱেশন

কৰা হৈছিল।

১৮৮৯ চনত চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত 'জোনাকী' প্ৰকাশ পায়। জোনাকীয়ে অসমীয়া ভাষাক বংগীয় প্ৰভাৱৰ পৰা মুক্ত কৰি নতুন ৰূপ প্ৰদান কৰে। এই যুগৰ অন্যান্য আলোচনী আছিল 'বিজুলী' আৰু 'বাঁহী'। জোনাকীয়ে অসমীয়া কাব্য সাহিত্যত 'ৰোমাণ্টিক যুগ'ৰ সূচনা কৰে। চুটিগল্প, প্ৰবন্ধ আৰু সমালোচনা সাহিত্যৰ চৰ্চা হোৱাৰ জৰিয়তে ব্যাপক হ'ব পাৰে। লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা এই আলোচনীখনে অসমীয়া ভাষাৰ শুদ্ধ ৰূপ আৰু জাতীয় চেতনা গঢ়াত সহায় কৰিছিল। ডাঃ দীননাথ শৰ্মাৰ সম্পাদনাত কলকাতাৰ পৰা প্ৰকাশিত এই আলোচনীখনে অসমীয়া চুটিগল্পক এক উচ্চ পৰ্যায়লৈ লৈ যায়।

১৯৫০-৬০ ৰ দশকত বিৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাত 'ৰামধেনু'ৰে অসমীয়া সাহিত্যত আধুনিকতাবাদৰ সূচনা কৰে। এই যুগত কবিতা আৰু গল্পত নতুন পৰীক্ষা-নিৰীক্ষা আৰম্ভ হয়। নৱকান্ত বৰুৱা, হীৰেণ ভট্টাচাৰ্য, নীলমণি ফুকন আদি কবিসকলৰ জন্ম এই যুগতেই হৈছিল।

বৰ্তমান সময়ত আলোচনীসমূহ কেৱল সাহিত্যতে সীমাবদ্ধ নাথাকি বিজ্ঞান, ৰাজনীতি আৰু

সমাজসেৱালৈও সম্প্ৰসাৰিত হৈছে। 'প্ৰান্তিক': ১৯৮১ চনত ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ সম্পাদনাত প্ৰকাশ পোৱা এই পষেকীয়া আলোচনীখন আজিও অসমৰ অতি জনপ্ৰিয় আলোচনী। 'গৰীয়সী': চন্দ্ৰপ্ৰসাদ শইকীয়া-ৰ সম্পাদনাত প্ৰকাশিত এই আলোচনীখনে উচ্চ মানদণ্ডৰ সাহিত্য চৰ্চাত গুৰুত্ব দিয়ে। 'বিস্ময়': মনোৰঞ্জন আৰু সাহিত্যৰ ক্ষেত্ৰত এই আলোচনীখনৰ সুকীয়া পৰিচয় আছে। ই-আলোচনী: বৰ্তমান ইন্টাৰনেটৰ যুগত 'সাহিত্য ডট অৰ্গ', 'অন্যযুগ' আদি ডিজিটেল আলোচনীয়েও গুৰুত্বপূৰ্ণ ভূমিকা লৈছে।

~ ধৃতিস্মিতা কলিতা

# "উত্তৰবিহীন প্ৰশ্ন"

উত্তৰ ক'ত ?
কোনে দিব উত্তৰ ?
দিবনে উত্তৰ যিয়ে ঈশ্বৰ আছে বুলি মানে?
মুছলমানৰ খুদাই নকৰেনে পালন হিন্দুক
নে হিন্দুৰ ভগৱানে নিচিনে মুছলমানক ?
ঈশ্বৰ বেলেগ নেকি গ'ড জন খ্ৰীষ্টানৰ
উত্তৰ ক'ত ?
কোনে দিব উত্তৰ ?
দিবনে উত্তৰ যিয়ে ঈশ্বৰ আছে বুলি মানে ?
চন্দ্ৰ-সূৰ্য সৃষ্টি কোন জন ঈশ্বৰৰ ?
প্ৰকৃতিৰ বায়ু-পানীয়ে বিচাৰ কৰেনে জাত-পাতৰ ?
স্বৰ্গ-নৰক, বেহেস্ত-দুৰ্যখৰ হয় নেকি বিবাদ সীমাৰ ?
ঈশ্বৰ হঁতে নকৰিলে কিয় তেওঁলোকৰ সৃষ্টিক
বেলেগ বেলেগ ৰূপত
মানুহ জন্তু উদ্ভিদ আদিক ?
কেনেকৈ চিনে তেওঁলোকৰ সৃষ্টিক ?
টনা আজোৰা কৰে নেকি গংগা-ব্ৰহ্মপুত্ৰক লৈ ?
উত্তৰ ক'ত ?
উত্তৰ দিব কোনে ?
যিয়ে ঈশ্বৰ আছে বুলি মানে, দিবনে উত্তৰ ?
উত্তৰ ক'ত ? পামনে উত্তৰ !

~ শিৱানী ভুঞা



# পাগলী

অনামিকা এখন সৰু ৰূপহী গাঁওৰ ছোৱালী। সেইদিনা তাইৰ কলেজৰ প্ৰথম দিন আছিল। মাকে তাইৰ কাৰণে তাইৰ প্ৰিয় গোলপীয়া ৰঙৰ কুৰ্টিটো উলিয়াই ৰাখিছে। হেজাৰ সপোন আৰু হেপাঁহ বুকুত বান্ধি লৈ কলেজলৈ গৈছিল। ক্লাছ শেষ হোৱাৰ অন্তত ঘৰলৈ উভতিবৰ পৰত দেউতাকে ফোন এটা কৰিলে। নাই, দেউতাক আহিব নোৱাৰে কিবা এটা কামত ব্যস্ত। ৰাস্তাটো পাৰ হবলৈ লওঁতেই বাছ এখনে অনামিকাক খুন্দিয়াই; হেজাৰ সপোন আৰু আশা তাতেই শেষ হৈ যায়। ভয়ংকৰ বাছ দুৰ্ঘটনাত মূৰত বেয়াকৈ আঘাতপ্ৰাপ্ত হোৱা অনামিকাক কঠিন অস্ত্ৰোপচাৰেও বিসংগতি সম্পূৰ্ণৰূপে নিৰাময় কৰিব নোৱাৰিলে। শেষত উপায়বিহীন হৈ পৰিয়ালৰ লোকে তাইক ঘৰলৈ উভতাই আনিলে। তেতিয়াৰ পৰাই মূৰৰ সকলোৰে মৰমৰ ছোৱালীজনী হৈ পৰিছিল সকলোৰে বাবে অৱহেলিত নিপেষিত।


সময়ৰ সোঁতত সকলো পৰিৱৰ্তন হয়, অনামিকাৰ

পৰিয়ালৰ মানুহবোৰৰ মনবোৰো মলিন হ'বলৈ ধৰিলে। এদিন ৰাতি তাইৰ মাক-দেউতাক বিশেষ কাম এটাত শিৱসাগৰ যাবলগীয়া হ'ল, সেই দিনাই তাইৰ পৰিয়ালৰ বাকী মানুহে তাইক লৈ গৈ চহৰৰ মাজ মজিয়াত থৈ আহিল আৰু হেজাৰ চেষ্টা, প্ৰচেষ্টাৰ পিছতো তাইৰ মাক-দেউতাকে তাইক বিচাৰি উলিয়াব নোৱাৰিলে। সেইদিনাৰ পৰাই তাইৰ ঠিকনা হৈছিল জাবৰৰ দ'ম, বাছ আড্ডান, ৰেলষ্টেচন, দোকানৰ বাৰাণ্ডা ইত্যাদি।

: ঐ পাগলী আহিছে, পাগলী.. চোৰা... চোৰা..

: কাপোৰ পিন্ধিছে নে পিন্ধা নাই ধৰিবই নোৱাৰি। চকটোত আড্ডা মাৰি থকা লৰাকেইজনৰ পৰা উফৰি আহিছিল শব্দবোৰ...! হয়তো কোনো এজনৰ মনলৈ অহা নাছিল মানসিক বিকাৰগ্ৰস্ত হোৱাৰ আগতে তাইও যে আছিল নেপালীয়া বতাহজাকৰ দৰে এজনী সহজ-সৰল মনৰ, সাধাৰণ ঘৰৰ ছোৱালী ঠিক আপোনাৰ বা মোৰ দৰে।

~ধৃতিস্মিতা ৰক্ষিতা



# অসমীয়া ভাষা আৰু সাহিত্য

অসমীয়া ভাষা আমাৰ পৰিচয়, আমাৰ গৌৰৱ। এই ভাষাই অসমীয়া মানুহৰ মন, সংস্কৃতি আৰু ইতিহাসক একেলগে ধৰি ৰাখিছে। সৰু শিশু এটাৰ প্ৰথম শব্দৰ পৰা আৰম্ভ কৰি জীৱনৰ গভীৰ অনুভূতি প্ৰকাশ কৰালৈকে, অসমীয়া ভাষা আমাৰ লগত সদায় থাকে। অসমীয়া সাহিত্য এই ভাষাৰেই সুন্দৰ ৰূপ। প্ৰাচীন কালত শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে ভক্তিমূলক সাহিত্যৰ মাধ্যমেৰে অসমীয়া সাহিত্যৰ ভেঁটি স্থাপন কৰিছিল। তেওঁলোকৰ ৰচনাবোৰে মানুহক নৈতিকতা আৰু ধৰ্মীয় মূল্যবোধ শিকাইছিল। পিছলৈ লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, জ্যোতিপ্ৰসাদ আগৰৱালা আদি সাহিত্যিকসকলে অসমীয়া সাহিত্যক নতুন ৰূপ দিলে। তেওঁলোকে কবিতা, গল্প, নাটক আদি মাধ্যমৰ জৰিয়তে সমাজৰ বিভিন্ন দিশ প্ৰকাশ কৰিলে। অসমীয়া ভাষাৰ এটা বিশেষ গুণ হৈছে ইয়াৰ সহজতা আৰু মাধুৰ্য। এই ভাষাত কথা পাতিলে আৰু লিখিলে এক উষ্ণতা আৰু আপোন অনুভৱ কৰা যায়। কিন্তু আধুনিক যুগত কিছুমান মানুহে নিজৰ ভাষাৰ ব্যৱহাৰ কম কৰি আনৰ ভাষাৰ ওপৰত অধিক নিৰ্ভৰ কৰে। ইয়াৰ ফলত অসমীয়া ভাষাৰ ব্যৱহাৰ লাহে লাহে কমি আহিছে। সেয়েহে আমি সকলোৱে নিজৰ ভাষাক সন্মান কৰিব লাগে আৰু দৈনন্দিন জীৱনত ব্যৱহাৰ কৰিব লাগে।

~ কবিষ্মা কাকলি মণ্ডল

# সাঁথৰ

ক) দেশ আছে মানুহ নাই, নদী আছে পানী নাই?

⇒ মানচিত্ৰ।

খ) মাটিৰ তলৰ বগা বুঢ়া, সাজ পিন্ধে কুৰি কুৰি?

⇒ নহৰু।

গ) ওপৰেদি উৰি যায়, নহয় পখালি, থাপ মাৰি মাছ খায়, নহয় বৰালি।

⇒ জাল

ঘ) এখন মাছৰ দুখন ফিচা; বুৰ মাৰিলেই সকলো মিছা।

⇒ নাও।

ঙ) গুণ গুণ কৰে কিন্তু ভোমোৰা নহয়, লগুণ আছে কিন্তু বামুণ নহয়?

⇒ ঘঁতৰ।

চ) পাত আছে ডাল নাই, কথা আছে মাত নাই?

⇒ কিতাপ।

ছ) লিক্ৰি লিকি ডিমৰু চিকি চিকি পাত, পালেং বাবৰি ওঠৰ হাত?

⇒ তামোল গছ

~ সুজাতা হুংতি

# শিক্ষক

শিক্ষক মই,
জীয়াই থাকগৈলে ।
কৰ্তব্যত- বিদ্যালয়, সমাজ আৰু ঘৰৰ কামত ।
কথা বতৰাত, খোজত ।
আচৰনত - শিশুৰ ওচৰত, কৈশোৰ যুৱ, বৃদ্ধৰ ওচৰত।
খোৱা - বোৱাত, পিন্ধা- উৰাত .
শুৱ খোৱা - শুই উঠাত ।
পৰিষ্কাৰ - পৰিচন্নতাত
অন্তৰৰ বাহিৰে - ভিতৰে ।
ব্যৱহাৰত - সৰু, ডাঙৰ, পিতা-মাতা, গুৰু সকলক ।
চিন্তা-গঠন মূলক, উৎসাহ জনক,
আনৰ উপকাৰ মূলক ।
মনোভাৱ - নিজে শিকা, আনক শিকোৱা, শেষ নিশ্বাসৰ
মুহূৰ্তলৈ ।
মই শিক্ষক ।

— শিৱানী ফুকন

# হৃদয়ৰ অব্যক্ত কথা

আধৰুৱা চিঠি আৰু এপাহি গোলাপ সাগৰ আৰু মেঘনাৰ প্ৰেম কাহিনীটো আছিল কলেজৰ লাইব্ৰেৰীৰ সেই কোণৰ মেজখনৰ দৰেই শান্ত। সাগৰ আছিল অলপ অন্তৰ্মুখী, যিয়ে নিজৰ অনুভৱবোৰ মুখ খুলি কবলৈ বহুত সময় লৈছিল। আনহাতে, মেঘনা আছিল চঞ্চল, যাৰ হাঁহিত গোটেই কেম্পাচটো উজলি উঠিছিল।

কলেজৰ শেষৰটো দিন আছিল। সকলোৱে বিদায়ৰ পৰত কান্দিছে, হাঁহিছে আৰু ভৱিষ্যতৰ পৰিকল্পনা কৰিছে। সাগৰৰ হাতত আছিল এটা খাম, য'ত সি বহু যত্ন কৰি নিজৰ মনৰ কথাবোৰ লিখিছিল। সি থিৰাং কৰিছিল যে আজি সি মেঘনাক কবই-কেনেকৈ তাইৰ উপস্থিতি অবিহনে তাৰ দিনবোৰ আধৰুৱা হৈ ৰয়।

সাগৰে মেঘনাক এঠাইত বৈ থকা দেখিলে। বতাহত তাইৰ চুলিবোৰ উৰি আছিল। সি আগুৱাই গৈ মাত লগালে "মেঘনা..."

মেঘনাই ঘূৰি চালে। তাইৰ চকুত এক গভীৰ

বিষাদ আছিল। তাই ক'লে, "সাগৰ, মই কাইলৈকে ইয়াৰ পৰা একেবাৰে গুচি যাম। দেউতাই মোৰ বিয়া ঠিক কৰিছে।"

সাগৰ থমকি ৰৈ গ'ল। তাৰ হাতৰ মুঠিত থকা চিঠিখন সি জোৰেৰে খেপি ধৰিলে। সি ক'ব খোজা হাজাৰটা কথা তাৰ ডিঙিতে আবদ্ধ হৈ ৰ'ল। সি বুজি পালে যে এই মুহূৰ্তত নিজৰ প্ৰেমৰ কথা প্ৰকাশ কৰিলে মেঘনাৰ বাবে সেইটো এক বোজাহে হ'ব।

"তুমি সুখত থাকা মেঘনা, সেইটোৱেই বিচাৰোঁ।" সাগৰে এক কৰুণ হাঁহিৰে ক'লে।

সি চিঠিখন জেপত ভৰাই থ'লে আৰু তাইক দিবলৈ অনা গোলাপ পাহ আগবঢ়াই দিলে। মেঘনাই ভাবিলে সেয়া কেৱল বন্ধুত্বৰ চিন। কিন্তু সাগৰে জানিছিল, সেই পাহিটোত লুকাই আছিল এক নিশব্দ ত্যাগ।

বছৰবোৰ পাৰ হৈ গ'ল। মেঘনা নিজৰ সংসাৰত ব্যস্ত হৈ পৰিল। এদিন পুৰণি কিতাপ এখন মেলি লওঁতে তাই এখন শুকাই যোৱা গোলাপৰ পাহি পালে। পাহিপাহ দেখি তাইৰ মনত পৰিল সেই শান্ত লৰাটোলৈ তাই কেতিয়াও জানিব নোৱাৰিলে যে সেই দিনা সাগৰৰ হাতত এখন চিঠিও আছিল।

প্ৰকৃত প্ৰেম কেতিয়াবা পোৱা - নোপোৱাৰ হিচাপতকৈ বেছি ঊৰ্ধত থাকে। কেতিয়াবা কাৰোবাৰ সুখৰ বাবে নিজৰ প্ৰেমক ত্যাগ কৰাটোৱেই হ'ব পাৰে আটাইতকৈ ডাঙৰ প্ৰেম।



— ধনৰাজ চুংকাং



# ভ্ৰমণ কাহিনী

সাগৰৰ সুৰত গঢ়া পুৰী মোৰ জীৱনৰ এক অতি স্মৰণীয় অভিজ্ঞতা হৈছে পুৰী জগন্নাথ ধামলৈ কৰা এই ভ্ৰমণ। যোৱা বছৰৰ মে' মাহত এই পবিত্ৰ ধামলৈ যোৱাৰ সৌভাগ্য হৈছিল। আমি তিনিদিনৰ বাবে পুৰীত থাকিলোঁ। পুৰীত উপস্থিত হোৱাৰ লগে লগে সাগৰৰ মৃদু বতাহ আৰু ঢৌৰ শব্দই মনটোক এক অপূৰ্ব শান্তি দিলে। আমি থকা হোটেলখন সাগৰৰ কাষতেই আছিল, যাৰ বাবে প্ৰতিদিনে সাগৰৰ অপূৰ্ব দৃশ্য উপভোগ কৰিব পাৰিছিলোঁ। আমাৰ পুৰীৰ জগন্নাথ মন্দিৰ দৰ্শন কৰাটো এই যাত্ৰাৰ মূল উদ্দেশ্য আছিল। মন্দিৰত প্ৰৱেশ কৰাৰ সময়ত এক আধ্যাত্মিক পৰিৱেশ অনুভৱ কৰিছিলোঁ। সন্ধিয়া আৰতিৰ সময়ত উপস্থিত থাকি মনটো এক অদ্ভুত শান্তি আৰু ভক্তিৰে ভৰি পৰিছিল। সেই মুহূৰ্তবোৰ আজিও মোৰ মনত সজীৱ হৈ আছে। আমি পুৰীৰ প্ৰায় সকলোবোৰ বিখ্যাত সাগৰৰ পাৰলৈ গৈছিলোঁ। বিশেষকৈ চন্দ্ৰভাগা সাগৰৰ পাৰত সূৰ্যোদয়ৰ দৃশ্য মনোমোহা আছিল। সাগৰৰ কাষত পৰিয়ালৰ সৈতে সময় কটোৱা, হাঁহি-ধেমালি কৰা আৰু ঢৌৰ সৈতে খেলাৰ আনন্দ অমূল্য আছিল। তাৰ উপৰিও, আমি কৰ্ণাক সূৰ্য মন্দিৰ দৰ্শন কৰিছিলোঁ। মন্দিৰটোৰ ভাস্কৰ্য আৰু স্থাপত্য

কলাই আমাক বিস্মিত কৰিছিল। এই ঐতিহাসিক স্থানত ভাৰতৰ সমৃদ্ধ সংস্কৃতিৰ এক স্পষ্ট ছবি দেখা পোৱা গৈছিল। পুৰীত থাকোঁতে আমি স্থানীয় খাদ্যসমূহৰো সোৱাদ ল'লো। বিশেষকৈ মহাপ্ৰসাদ আৰু বিভিন্ন ধৰণৰ সাগৰীয় খাদ্যৰ সোৱাদবো বুজ ল'লো। পুৰীত থকা প্ৰতিটো



দিনেই নতুন এটা অভিজ্ঞতাৰে সমৃদ্ধ আছিল। এইদৰে তিনিদিনৰ স্মৃতিমধুৰ সময় কটোৱাৰ পিছত আমি ঘৰলৈ বুলি উভতিলোঁ। এই যাত্ৰাই মোক আধ্যাত্মিক শান্তি, পৰিয়ালৰ সৈতে সময় কটোৱাৰ আনন্দ আৰু নতুন স্থানৰ সৈতে পৰিচয় কৰাই দিলে। পুৰী ভ্ৰমণ মোৰ চিৰস্মৰণীয় হৈ থাকিব।

~ কৰবী মণ্ডল

# একবিংশ শতিকা

২১শ শতিকা হ'ল বৰ্তমান যুগ, যি ২০০১ চনৰ ১ জানুৱাৰীৰ পৰা আৰম্ভ হৈছিল। এই যুগক দ্ৰুত পৰিৱৰ্তন, উদ্ভাৱন আৰু বিশ্বায়নৰ যুগ বুলি কোৱা হয়। এই শতিকাৰ মুখ্য বৈশিষ্ট্য হৈছে বিজ্ঞান আৰু প্ৰযুক্তিৰ বিস্তৃত উন্নতি, বিশেষকৈ ইণ্টাৰনেট, কৃত্ৰিম বুদ্ধিমত্তা আৰু ডিজিটেল যোগাযোগৰ বিকাশ। ২১শ শতিকাৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে বিশ্বায়ন, যিয়ে বিশ্বৰ মানুহ, সংস্কৃতি আৰু অৰ্থনীতি একেলগে সংযুক্ত কৰিছে। তথ্য আৰু প্ৰযুক্তিয়ে পৃথিৱীক 'গ্লবেল ভিলেজ'লৈ ৰূপান্তৰিত কৰিছে, যাৰ জৰিয়তে মুহূৰ্ততে যোগাযোগ আৰু জ্ঞান লাভ সম্ভৱ হৈছে। শিক্ষাক্ষেত্ৰতো ব্যাপক পৰিৱৰ্তন আহিছে। স্মাৰ্ট ক্লাছৰুম, অনলাইন শিক্ষা ব্যৱস্থা আৰু ডিজিটেল সামগ্ৰী ব্যৱহাৰে শিক্ষা অধিক আধুনিক আৰু সহজলভ্য কৰি তুলিছে। লগতে, চিন্তাশক্তি, সৃষ্টিশীলতা আৰু সমস্যাৰ সমাধান কৰা দক্ষতাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। তথাপি, ২১শ শতিকাই জলবায়ু পৰিৱৰ্তন, পৰিৱেশ প্ৰদূষণ, জনসংখ্যা বৃদ্ধি আৰু সামাজিক অসমতাৰ দৰে বহুতো সমস্যাৰ মুখামুখি হৈছে। সেয়ে, এই যুগত দায়িত্বশীল নাগৰিকত্ব, স্থায়ী উন্নয়ন আৰু বৈশ্বিক সহযোগিতাৰ প্ৰয়োজন অতি গুৰুত্বপূৰ্ণ। সংক্ষেপে কʼবলৈ গ'লে, ২১শ শতিকা হৈছে এক গতিশীল যুগ, যি প্ৰযুক্তিগত অগ্ৰগতি, বিশ্বব্যাপী সংযোগ আৰু নতুন সুযোগ- সুবিধা তথা চেলেঞ্জৰে পূৰ্ণ।

~ ধনৰাজ চুংক্ৰাং

# প্ৰকৃতিৰ কবি : 'William Wordsworth'ৰ জীৱন আৰু সাহিত্য

উইলিয়াম ৱৰ্ডছৱৰ্থ (William Wordsworth) আধুনিক ইংৰাজী সাহিত্যৰ এজন মহান কবি, যিজনক "প্ৰকৃতিৰ কবি" বুলি কোৱা হয়। তেওঁ ১৭৭০ চনত ইংলেণ্ডৰ Lake District অঞ্চলত জন্মগ্ৰহণ কৰিছিল। এই অঞ্চলৰ পাহাৰ, নদী আৰু সেউজীয়া প্ৰাকৃতিক সৌন্দৰ্যই তেওঁৰ মনত গভীৰ প্ৰভাৱ পেলাইছিল, যাৰ ফলত তেওঁৰ কবিতাসমূহত প্ৰকৃতিৰ বৰ্ণনা বিশেষভাৱে প্ৰকাশ পাইছে। ৱৰ্ডছৱৰ্থ আছিল Romantic Movementৰ এজন গুৰুত্বপূৰ্ণ কবি। তেওঁ বিশ্বাস কৰিছিল যে কবিতা মানে কেৱল আলংকাৰিক ভাষা নহয়, বৰং সাধাৰণ মানুহৰ সহজ অনুভূতিৰ প্ৰকাশ। তেওঁৰ বিখ্যাত কাব্যগ্ৰন্থ Lyrical Ballads (১৭৯৮) যি তেওঁ Samuel Taylor Coleridge ৰ সৈতে মিলি ৰচনা কৰিছিল, ইংৰাজী সাহিত্যত এক নতুন যুগৰ আৰম্ভণি কৰিছিল। এই গ্ৰন্থখনত তেওঁ লোকে সহজ ভাষাত সাধাৰণ জীৱনৰ কথা লিখিছিল, যি তেতিয়াৰ সময়ত এক অভিনৱ ধাৰণা আছিল।

ৱৰ্ডছৱৰ্থৰ কবিতাত প্ৰকৃতি কেৱল পটভূমি নহয়, বৰং এক জীৱন্ত শক্তি। তেওঁ প্ৰকৃতিক মাতৃৰ দৰে গণ্য কৰিছিল। তেওঁৰ বিখ্যাত কবিতা "Daffodils"ত তেওঁ ফুলৰ সৌন্দৰ্য আৰু তাৰ পৰা পোৱা আনন্দৰ বৰ্ণনা অতি সজীৱভাৱে কৰিছে। মানৱ জীৱনৰ সাধাৰণ মুহূৰ্তবোৰক তেওঁ কবিতাৰ বিষয়বস্তু কৰি তুলিছিল। তেওঁৰ কবিতাত শিশুৰ নিৰ্মলতা, গাঁওৰ জীৱন আৰু মানুহৰ আন্তৰিক অনুভূতিৰ প্ৰতিফলন দেখা যায়। তেওঁ বিশ্বাস কৰিছিল যে মানুহ আৰু প্ৰকৃতিৰ মাজত এটা গভীৰ সম্পৰ্ক আছে, যি মানুহৰ জীৱনক অধিক অৰ্থপূৰ্ণ কৰি তোলে।

১৮৫০ চনত তেওঁৰ মৃত্যু হয়, কিন্তু তেওঁৰ সাহিত্যিক অৱদান আজিও অমৰ। ৱৰ্ডছৱৰ্থে আমাক শিকাইছে যে জীৱনৰ সুখ বাহ্যিক বস্তুত নহয়, বৰং প্ৰকৃতিৰ সৈতে সংযোগ আৰু অন্তৰৰ শান্তিত নিহিত থাকে।

~ কবৰী মৰল



# মহৎ লোকৰ বাণী

• ভীৰুৰ দৰে জীয়াই থকাতকৈ বীৰৰ দৰে মৃত্যুবৰণ কৰাই শ্ৰেয়।

~ মহাত্মা গান্ধী।

• প্ৰকৃত শিক্ষাই মানুহৰ মৰ্যাদা বঢ়ায় তদুপৰি ই আত্ম সন্মানো বৃদ্ধি কৰে।

~ এ. পি. জে. আব্দুল কালাম।

• শিক্ষাৰ উদ্দেশ্য হ'ল মানুহক মানুহ ৰূপে গঢ়ি তোলা, মানুহৰ পৰিচয় প্ৰকাশত শিক্ষাৰ অৱদান তুলনাবিহীন।

~ ৰাজা ৰামমোহন ৰায়।

• কম কথা কোৱা বেছি কাম কৰা মানুহে সফলতা লাভ কৰিব পাৰে।

~ ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ।

• অহিংসাই পৰম ধৰ্ম।

~ মহাত্মা গান্ধী।

~ কৰবী মণ্ডল